# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১

ফোনঃ ০১১–২৩০৭০৫৭৭০, ফেক্সঃ ০১১–২৩০০৫৭৮৭


তাং–১৩ ফেব্ৰুৱাৰী ২০১৩

## ৰাজ্যসভাৰ বিৰোধী দলৰ সহকাৰী নেতা তথা বিজেপিৰ প্ৰধান মুখপাত্ৰ শ্ৰী ৰবি শঙ্কৰ প্ৰসাদে জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

আৰু এক কেলেঙ্কাৰী–স্বাধীনতাৰ পিচত ইউ পি এ হ'ল সকলোতকৈ দুৰ্নীতিগ্ৰস্ত চৰকাৰ

ইটালীৰ প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণকাৰী সংস্থা ফিনমেকানিকাৰ পৰা অগাষ্টা ৱেষ্টলেণ্ড হেলিকপ্টাৰ ক্ৰয় কৰা বিষয়টোৰ সন্দৰ্ভত যোৱা এবছৰ ধৰি ৰাজহুৱা মাধ্যমত গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ হ'ল, ৩৫৪৬ কোটি টকাৰ এই চুক্তিত ৩৫০ কোটি টকাৰ উতকোচ দিয়া হৈছে। কিন্তু গভীৰ উদ্বেগৰ বিষয় হ'ল যে– চৰকাৰে এই সংক্ৰান্তত ইমানদিনে কোনো তদন্তৰ নিৰ্দেশ দিয়া নাই। এই চুক্তিৰ নিয়মতে কোৱা হৈছে কমিছন দিয়াতো হ'ল উতকোচ দিয়া আৰু ই এক দুৰ্নীতি। এনে পৰিস্থিতিত নিম্নোক্ত বিষয়সমূহ অতি গুৰুত্বপূৰ্ণ—

(১) অগাষ্টা ৱেষ্টলেণ্ডৰ সৈতে এই চুক্তি ২০০৭ চনত চূড়ান্ত হৈছিল আৰু ই স্বাক্ষৰিত হয় ২০১০ চনৰ ফেব্ৰুৱাৰী মাহত।

(২) যোৱা এবছৰ ধৰি 'ইণ্ডিয়ান এক্সপ্ৰেছ'কে ধৰি সংবাদ মাধ্যমত খবৰ প্ৰকাশিত হৈছে যে– এই চুক্তিৰ সংক্ৰান্তত ইটালীত দুৰ্নীতিৰ অভিযোগ উঠিছে।

(৩) প্ৰতিবেদনত কোৱা হৈছে ভাৰতীয় কিছু দালালৰ নাম প্ৰকাশিত হৈছে তথা তেওঁলোকৰ কেইজনমান প্ৰাক্তন ভাৰতীয় বায়ুসেনা প্ৰধানৰ ঘনিষ্ঠ লোক। 'টাইমছ নাও' নামৰ নিউজ চেনেলে যোৱা বৰ্ষৰ ২৭ মাৰ্চত এক গৱেষণামূলক প্ৰতিবেদন প্ৰকাশ কৰে। তাত দেখুওৱা হয় যে– অগাষ্টা ৱেষ্টলেণ্ডৰ সৈতে গেন্টন লিমিটেডৰ এক চুক্তি হয়। উক্ত চুক্তিত দিল্লী পুলিছক হেলিকপ্টাৰ দিয়াৰ প্ৰস্তাৱিত চুক্তিৰ বাবে ৮ ৰপৰা ১৫ শতাংশ কমিছন দিয়াৰ কথা কোৱা হয়। এই ঘটনাই এইটোকে প্ৰমাণ কৰে যে– সেই কোম্পানীয়ে কমিছন আগবঢ়ায় আৰু ইয়াৰ ফলত দুৰ্নীতিৰ অভিযোগ উঠিছে সি অধিক বিশ্বাসযোগ্যতা লাভ কৰে। লগতে তদন্তৰ প্ৰয়োজনীয়তাৰ কথাও অনুভূত হয়।

(৪) ইয়াৰ পিচতো চৰকাৰে বিষয়টো কিয় তদন্ত নকৰিলে তথা প্ৰতিৰক্ষামন্ত্ৰী মিষ্টাৰ এ কে এন্টনিয়ে সংসদতো ক'লে কোনো দুৰ্নীতি হোৱা নাই।

(৫) ইটালীৰ কৰ্তৃপক্ষই অৱশ্যে দুৰ্নীতিৰ অভিযোগৰ সন্দৰ্ভত ফিনমেকানিকৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিছে আৰু শেষ পৰ্যন্ত কোম্পানীৰ চি ই অ'ক ভাৰতৰ সৈতে হোৱা হেলিকপ্টাৰ চুক্তিত উতকোচ দিয়াৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে।

(৬) কেন্দ্ৰীয় চৰকাৰে কৈছে ইটালীৰ পৰা তেওঁলোকে কোনো তথ্য লাভ কৰা নাই। কিন্তু তলত উল্লেখিত যুক্তিসমূহৰ বাবে এই কথা গ্ৰহণযোগ্য নহয়–

(ক) চৰকাৰে ইটালীৰ সৰ্বোচ্চ স্তৰৰ তথ্যৰ বাবে আৱেদন জনাইছিল নে?

(খ) ইটালীৰ ৰাষ্ট্ৰদূতক মাতি পঠিয়াই ঘটনাৰ গুৰুত্ব বুজাই কোৱা হৈছিল?

(গ) তথ্য সংগ্ৰহৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে ইটালীলৈ বিষয়া প্ৰেৰণ কৰিছিল নে?

(৭) বুজা গৈছে যে কোনো এজনে কিবা কাৰণত তদন্তত পলম কৰাইছিল। কিন্তু প্ৰকৃত দেশ অৰ্থাত ইটালীয়ে উতকোচৰ অভিযোগৰ সন্দৰ্ভত বিস্তৃত তদন্ত চলাইছিল।

(৮) এটা প্ৰশ্ন উদয় হয়, কাৰণ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ সন্দৰ্ভত এক গভীৰ সন্দেহ আছে, সেইটো হ'ল কোম্পানীটোৰ ইটালীৰ সৈতে থকা সম্পৰ্ক, কাৰণ আমি সকলোৱে জানো বফৰ্চ কেলেঙ্কাৰীত কংগ্ৰেছ চৰকাৰে কেনেদৰে কত্ৰচ্চিক ৰক্ষা কৰিছিল।

(৯) কেলেঙ্কাৰী, দুৰ্নীতি এতিয়া এই চৰকাৰৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। নিৰ্দিষ্ট ব্যৱধানৰ মূৰে মূৰে সেয়া পোহৰলৈ আহিবলৈ ধৰিছে। ইয়াৰ ফলত চৰকাৰৰ ৰাজহ প্ৰচুৰ পৰিমাণে ক্ষতি হৈছে। স্বাধীনতাৰ পিচত এয়া হ'ল সকলোতকৈ দুৰ্নীতিপৰায়ণ চৰকাৰ। বি জে পিয়ে সংসদৰ বাহিৰত আৰু ভিতৰত এই বিষয়টো উত্থাপন কৰা বাবে দৃঢ়প্ৰতিজ্ঞ আৰু আমি প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষামন্ত্ৰী আৰু ছোনিয়া গান্ধীৰ দায়ৱদ্ধতা জানিব খুজিম। বিজেপিয়ে দাবী কৰিছে সম্পূৰ্ণ হেলিকপ্টাৰ চুক্তি এতিয়া স্থগিত ৰখা হওঁক আৰু ইয়াৰ পুনৰীক্ষণ কৰা হওঁক।

(১০) সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যে– ইটালীৰ চৰকাৰে যেতিয়া স্বীকাৰ কৰিছে বৃহত পৰিমাণৰ কমিছন দিয়া হৈছে তেনেহ'লে দেশে জানিব লাগিব কোনে উতকোচ লৈছে।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত